No. of Printed Pages—3

481 (AEM08)

[20-HBGPOW–D5S(O)21A]

BA 5th Semester (Old) Exam., 2020 (W)

ASSAMESE

[BAE M–08]

(অসমীয়া নাটক)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক : 1×8=8

(a) শৈলেন ভৰালীয়ে ৰমাকান্ত চৌধুৰীৰ 'অভিমন্যু বধ' আৰু 'ৰাৱণ বধ' নাটক দুখন কেতিয়া ৰচনা কৰিছিল বুলি অনুমান কৰিছিল ?

(b) বসন্ত শইকীয়াই লিখা 'এবছার্ড' নাটক তিনিখনৰ নাম লিখক।

(c) কোনকেইখন পুৰণি গ্ৰন্থত 'পাৰিজাত হৰণ'ৰ কাহিনীভাগ পোৱা যায় ?

(d) নয়বিধ ৰসৰ নাম লিখক।

(e) মাধৱদেৱে ৰচনা কৰা নাটকেইখনৰ নাম লিখক।

(f) ঝুমুৰাসমূহৰ আধাৰ-গ্ৰন্থখনৰ নাম কি ? এই গ্ৰন্থখন কোনে লিখিছিল ?

(g) জ্যোতিপ্ৰসাদ আগৰৱালাই লিখা চাৰিখন নাটকৰ নাম লিখক।

(h) কোনখন নাটকৰ বাবে, কোন চনত অৰুণ শৰ্মাই অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ নাট্যকাৰৰ বঁটা লাভ কৰিছিল ?

2. তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৫০* শব্দৰ ভিতৰত) : 2×8=16

(a) নাটকত লোককলাৰ সমল কেনেদৰে প্ৰয়োগ কৰা হয় ? চমুকৈ আলোচনা কৰক ।

(b) 'কাৰেঙৰ লিগিৰী' নাটকখনৰ মূল বিষয়বস্তু কি ? চমুকৈ লিখক ।

(c) গোপাল আতাৰ সাহিত্যকৰ্ম সম্পৰ্কে চমুকৈ আলোকপাত কৰক ।

(d) 'জন্মযাত্ৰা' নাটকখনৰ নাৰদ চৰিত্ৰটোৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক ।

(e) ঝুমুৰা বুলিলে কি বুজে ? চমুকৈ লিখক ।

(f) 'পিম্পৰা গুচোৱা' ঝুমুৰাখনৰ বিষয়বস্তু সম্পৰ্কে এটি টোকা লিখক ।

(g) 'পাৰিজাত হৰণ' নাটকখনৰ সত্যভামা চৰিত্ৰটোৰ বিষয়ে চমুকৈ লিখক ।

(h) শংকৰোত্তৰ যুগত অসমীয়া নাটক সম্পৰ্কে এটি চমু আলচ যুগুত কৰক ।

3. তলৰ প্ৰশ্নসমূহৰ যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় *১০০* শব্দৰ ভিতৰত) : 4×5=20

(a) প্ৰাক্-স্বাধীনতাকালৰ অসমীয়া পৌৰাণিক নাটক সম্পৰ্কে আলোচনা কৰক ।

(b) 'পাৰিজাত হৰণ' নাটকখনত নাৰদ চৰিত্ৰটোৰ ভূমিকা কেনেধৰণৰ—বিশ্লেষণ কৰক ।

(c) 'কাৰেঙৰ লিগিৰী' নাটকখনৰ গীত সম্পৰ্কে চমুকৈ আলোচনা কৰক ।

(d) 'কাৰেঙৰ লিগিৰী' নাটকখনত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে চমুকৈ আলোচনা আগবঢ়াওক ।

(e) 'বুৰঞ্জী পাঠ' নাটকখনত লোকনাট্য-শৈলীৰ প্ৰয়োগ যথাযথ হৈছে বুলি আপুনি ভাবেনে ? আলোচনা কৰক ।

(f) 'বুৰঞ্জী পাঠ' নাটকখনৰ কুলহৰি চৌধুৰী চৰিত্ৰটোৰ প্ৰয়োজনীয়তা বিচাৰ কৰক ।

4. তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৩০০* শব্দৰ ভিতৰত) : 8×2=16

(a) 'জন্মযাত্ৰা' নাটকখনৰ চৰিত্ৰ-চিত্ৰণত নাট্যকাৰ কিমানদূৰ সফল হৈছে সেয়া বিশ্লেষণ কৰি নাটকখনৰ ৰস বিচাৰ কৰক ।

(b) '' 'পিম্পৰা গুচোৱা' ঝুমুৰাখনত বাৎসল্য আৰু হাস্য ৰসৰ মাজতো ভক্তিৰসৰ নিজৰা ফল্গুধাৰাৰ দৰে প্ৰৱাহিত হৈ আছে ।'' কথাষাৰৰ যুক্তি-যুক্ততা প্ৰতিপন্ন কৰক ।

(c) উত্তৰ-স্বাধীনতাকালৰ অসমীয়া নাটকৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি এই সময়ৰ অসমীয়া নাটকৰ ধাৰাবোৰৰ বিষয়ে লিখক ।

5. তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৪০০* শব্দৰ ভিতৰত) : 10×2=20

(a) 'পাৰিজাত হৰণ' নাটখনিৰ আধাৰত অংকীয়া নাটৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলচ যুগুত কৰক।

(b) 'কাৰেঙৰ লিগিৰী' নাটকখনক কিয় অসমীয়া নাটকৰ ইতিহাসত অন্যতম শ্ৰেষ্ঠ নাটক বুলি কোৱা হয় ? বিচাৰ কৰক।

(c) 'বুৰঞ্জী পাঠ' নাটকখনৰ বিষয়বস্তু উপস্থাপন, সংলাপ ৰচনা আৰু নাটকীয় কলা-কৌশল কেনেদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰক।

★ ★ ★